# শ্ৰমিক ক্ষতিপূৰণ আইন ১৯২৩

১। কোনো শ্ৰমিকে কাম কৰিবলৈ যোৱাৰ সময়ত অথবা কাম কৰি থকা অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যু অথবা চিৰঘূণীয়া হৈ উপাৰ্জন ক্ষমতা নোহোৱা হ'লে তেওঁ অথবা তেওঁৰ পৰিয়ালে ক্ষতিপূৰণ পাব।

২। কোনো শ্ৰমিকে কোম্পানীয়ে দিয়া কাম কৰিবলৈ যাওঁতে দুৰ্ঘটনাগ্ৰস্ত হৈ আঘাতপ্ৰাপ্ত হ'লে তেওঁৰ উপাৰ্জন ক্ষমতা নষ্ট হয়, তেতিয়া তেওঁক শাৰীৰিকভাৱে অক্ষম বুলি কোৱা হয়।

৩। কোনো দুৰ্ঘটনাৰ ফলত শ্ৰমিকজনৰ কোনো অংগ কটা গ'লে, নষ্ট হ'লে অথবা সেই দুৰ্ঘটনাগ্ৰস্ত হৈ অংগৰ পূৰ্বৰ তুলনাত কাম কৰাৰ ক্ষমতা কমি গ'লেও (মেডিকেল বৰ্ডে প্ৰমাণ পত্ৰ দিব লাগিব) তেওঁ ক্ষতিপূৰণ পাব।

৪। যি অক্ষমতা তিনি দিনৰ ভিতৰত ভাল হৈ যায় তাৰ বাবে ক্ষতিপূৰণ নাপাব আৰু নিচাসক্ত হৈ কাম কৰাৰ ফলত দুৰ্ঘটনা হ'লে তাৰ পৰা ক্ষতিপূৰণ নাপাব।

৫। যি অক্ষমতা ২৮ দিনৰ বেছি থাকে তেনে অক্ষমতা হোৱা দিনৰ পৰাই ক্ষতিপূৰণ পাব। যি অক্ষমতা ২৮ দিনৰ ভিতৰত ভাল হৈ যায় তাৰ কাৰণে প্ৰথম তিনি দিনৰ বাবে কোনো ক্ষতিপূৰণ নাপাব (Waiting Period)।

৬। অস্থায়ী ক্ষমতাৰ বাবে শ্ৰমিকজনে হাজিৰাৰ চাৰি ভাগৰ এক অংশ ১৫ দিনৰ মূৰে মূৰে পাব আৰু শ্ৰমিকজন আৰোগ্য নোহোৱাকৈ (সৰ্বাধিক ৫ বছৰলৈকে) এই হাৰত দৰমহা পাই থাকিব।

৭। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত শ্ৰমিকজনৰ চিকিৎসাৰ কাৰণে কোম্পানীয়ে যি টকা খৰচ কৰিব তাক ক্ষতিপূৰণ বুলি ধৰিব নোৱাৰিব।

৮। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হৈ শ্ৰমিকজন মৃত্যুবৰণ কৰিলে শ্ৰমিকজনে পাই থকা দৰমহাৰ ৫০% অৱশিষ্ট পূৰকৰ পৰা পূৰণ কৰি পোৱা ধনৰ পৰিমাণ ক্ষতিপূৰণ হ'ব, কিন্তু এই ক্ষতিপূৰণৰ পৰিমাণ ৫০,০০০/- টকাৰ কম হ'ব নোৱাৰিব।

৯। আঘাতপ্ৰাপ্ত হৈ সম্পূৰ্ণ স্থায়ী অক্ষমতা হ'লে শ্ৰমিকজনে পাই থকা দৰমহাৰ ৬০% সংশ্লিষ্ট পূৰকৰ দ্বাৰা পূৰণ কৰি পোৱা ধনৰ পৰিমাণ ক্ষতিপূৰণ হ'ব, ৬০০০ টকাৰ কম হ'ব নোৱাৰিব।

১০। কোনো শ্ৰমিকে এমাহ কাম কৰিলে যি হাজিৰা হ'ব তাকে মাহেকীয়া হাজিৰা বুলি ধৰা হ'ব।

## অনুসূচী-৪

**স্থায়ী অক্ষমতা বা মৃত্যুৰ ক্ষেত্ৰত এককালীন ক্ষতিপূৰণ বা ক্ষতিপূৰণ হিচাপ কৰাৰ কাৰণে ব্যৱহাৰ হ'ব লগা গুণিতক বিলাক ঃ**

**শ্ৰমিকজনৰ ক্ষতিপূৰণ পাব লগা দিনটোৰ নিচেই ওচৰৰ**

| বয়স | গুণিতকসমূহ | বয়স | গুণিতকসমূহ |
|---|---|---|---|
| ১৬ বছৰ | ২২৮.৫৪ | ৩২ বছৰ | ২০৩.৮৫ |
| ১৭ বছৰ | ২২৭.৪৯ | ৩৩ বছৰ | ২০১.৬৬ |
| ১৮ বছৰ | ২২৬.৩৮ | ৩৪ বছৰ | ১৯৯.৪০ |
| ১৯ বছৰ | ২২৫.২২ | ৩৫ বছৰ | ১৯৭.০৬ |
| ২০ বছৰ | ২২৪.০০ | ৩৬ বছৰ | ১৯৪.৬৪ |
| ২১ বছৰ | ২২২.৭১ | ৩৭ বছৰ | ১৯২.৯৪ |
| ২২ বছৰ | ২২১.৩৭ | ৩৮ বছৰ | ১৮৯.৫৬ |
| ২৩ বছৰ | ২১৯.৯৫ | ৩৯ বছৰ | ১৮৬.৯০ |
| ২৪ বছৰ | ২১৮.৪৭ | ৪০ বছৰ | ১৮৪.১৭ |
| ২৫ বছৰ | ২১৬.৯১ | ৪১ বছৰ | ১৮১.৩৭ |
| ২৬ বছৰ | ২১৫.২৮ | ৪২ বছৰ | ১৭৮.৪৯ |
| ২৭ বছৰ | ২১৩.৫৭ | ৪৩ বছৰ | ১৭৫.৫৪ |
| ২৮ বছৰ | ২১১.৭৯ | ৪৪ বছৰ | ১৭২.৫২ |
| ২৯ বছৰ | ২০৯.৯২ | ৪৫ বছৰ | ১৬৯.৪৪ |
| ৩০ বছৰ | ২০৭.৯৮ | ৪৬ বছৰ | ১৬৬.২৯ |
| ৩১ বছৰ | ২০৫.৯৫ | ৪৭ বছৰ | ১৬৩.৭০ |

| বয়স | | গুণিতকসমূহ | বয়স | | গুণিতকসমূহ |
|---|---|---|---|---|---|
| ৪৮ | বছৰ | ১৫৯.৮০ | ৫৭ | বছৰ | ১২৮.৩৩ |
| ৪৯ | বছৰ | ১৫৬.৪৭ | ৫৮ | বছৰ | ১২৪.৭০ |
| ৫০ | বছৰ | ১৫৩.০৯ | ৫৯ | বছৰ | ১২১.০৫ |
| ৫১ | বছৰ | ১৪৯.৬৭ | ৬০ | বছৰ | ১১৭.৪১ |
| ৫২ | বছৰ | ১৪৬.২০ | ৬১ | বছৰ | ১১৩.৭৭ |
| ৫৩ | বছৰ | ১৪২.৬৮ | ৬২ | বছৰ | ১১০.১৪ |
| ৫৪ | বছৰ | ১৩৯.১৩ | ৬৩ | বছৰ | ১০৬.৫২ |
| ৫৫ | বছৰ | ১৩৫.৫৬ | ৬৪ | বছৰ | ১০২.৯৩ |
| ৫৬ | বছৰ | ১৩১.৯৫ | ৬৫ | বছৰ | ৯৯.৩৭ |